# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** **তাং- ২৯/০৬/২০১৯**

## কাৰ্য্যবিৱৰণী

আজি ইং ২৯/০৬/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয় । মূখ্য ন্যায়িক দণ্ডাধীশৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে, কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে ।

বৈঠকৰ আৰম্ভণিতে Bench সহায়কসকলক আদালতসমূহৰ Pending কেছ সম্পৰ্কে অৱগত কৰিবলৈ কোৱা হয় আৰু আদালত সমূহত যাৱতীয় সামগ্ৰী তথা চমনসমূহৰ প্ৰৰ্যাপ্ততাৰ সম্পৰ্কে আলোচনা কৰা হয় ।

Record Room ৰ সাহায়কক বাৰ্ষিক ক্ৰমে সংৰক্ষণ কৰিবলৈ জনাই । ইয়াৰ উপৰিও Record Room ৰ তথ্যসমূহ প্ৰভাৰী বিষয়াৰ অনুমতি অবিহনে প্ৰদান কৰিবলৈ বাৰণ কৰা হয় ।

PSI ক'টত জমা থকা পুৰণি নথিসমূহৰ লগতে Excise Act অধীণত জব্দকৃত সামগ্ৰীসমূহৰ নষ্ট কৰাৰ ক্ষেত্ৰত কেনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে তাৰ ওপৰত আলোচনা হয় । ইয়াৰ উপৰিও জবানবন্দী লব লগা ভূক্তভোগী তথা আচামীক পলমকৈ উপস্থিত কৰাৰ বাবে সমস্যা সৃষ্টি হয় বুলি মহোদয়ক জনায় । লগতে চমনসমূহ সংশ্লিষ্ট আৰক্ষী চকীসমূহৰ পৰা পলমকৈ প্ৰেৰণ কৰা সম্পৰ্কে অৱগত কৰে ।

কাৰ্যালয়ত নিৰ্ধাৰিত সময়ত উপস্থিত হ'বলৈ লগতে কাৰ্যালয়ৰ পৰা যাবৰ সময়ত Attendance Register ত চহী কৰিবলৈ নিৰ্দেশ কৰে । ইয়াত উপৰিও কাৰ্যালয়ত নিৰ্ধাৰিত সময়ত উপস্থিত থকাৰ ক্ষেত্ৰত হেমাহি তথা গাফিলতি কৰা কৰ্মচাৰীসকলক চৰকাৰী নীতি নিয়ম সুচাৰুৰূপে পালন কৰি যাবলৈ কাৰ্যালয়ৰ মূখ্যসহায়কে আহ্বান জনায় ।

আদালতসমূহত Scanner-Printer প্ৰদান কৰিবলৈ জনোৱা হয় আৰু Computer সমূহৰ বাবে Antivirus প্ৰদান কৰিবলৈ নিৰ্দেশ কৰে । লগতে আদালতত প্ৰয়োজনীয় সামগ্ৰী সমূহ নাটনি হোৱাৰ আগতে সংশ্লিষ্ট কৰ্তৃপক্ষক অৱগত কৰিবলৈ জনায় ।

ইয়াৰ লগতে কাৰ্যালয়ত অন্যান্য যাৱতীয় শিতান অমূহত আলোচনা কৰা হয় আৰু জলযোগেৰে বৈঠকখনিৰ সামৰণি পৰে ।

Rupak 29/6/19.

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰূপক ৰজক)

29/6/19
অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰাহুল মেধি)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

Rehman 29/6/19
১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন ৰেহমান)